**2018**

**ASSAMESE**

**ASM : 1.05**

**STUDY ON ASSAMESE POETRY**

Full Mark : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

১। উত্তৰ দিয়া ঃ ১x১০=১০

ক) অনুষ্ঠানমূলক লোকগীতসমূহৰ মূল ভাগ কেইটা কি কি?

খ) চৰ্যাপদত 'হৰিণা'ক কিহৰ সৈতে তুলনা কৰা হৈছে?

গ) 'প্ৰহ্লাদ চৰিত' কাৰ ৰচনা?

ঘ) শংকৰদেৱে ৰচনা কৰা বৰগীতৰ সংখ্যা কিমানটা?

ঙ) হেজাৰী ঘোষা কি?

চ) 'জুৰণি' কাব্যগ্ৰন্থখন কাৰ ৰচনা?

ছ) যিকোনো এগৰাকী চিত্ৰকল্পবাদী কবিৰ নাম লিখা।

জ) 'বিশ্বাসৰ সমূলি বিনাশ' কবিতাটোৰ কবি কোন?

ঝ) দেৱকান্ত বৰুৱাৰ দ্বাৰা ৰচিত যিকোনো এটা কবিতাৰ নাম লিখা?

ঞ) নীলমণি ফুকনৰ দ্বাৰা অনুদিত এখন কবিতাপুথিৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা ঃ ২x৫=১০

ক) জোনাকী যুগৰ দুগৰাকী কবিৰ নাম লিখা।



PTO

খ) ৰোমান্টিক কবিতাৰ দুটা লক্ষণ লিখা।

গ) 'দহিকতৰা' কবিতাটোত মুঠতে কিমানটা স্তৱক আৰু কিমানটা শাৰী আছে?

ঘ) 'কিছুমান পদ্য আৰু গান' কাৰ কাব্যগ্ৰন্থ? কোন চনত এই গ্ৰন্থ প্ৰকাশিত হৈছিল?

ঙ) 'আলো মাই কি কহবো দুখ' বৰগীতটি কি বিষয়ক গীত? ইয়াৰ ৰচক কোন?

৩। চমুটোকা লিখা (যিকোনো দুটা) ৫x২=১০

ক) চন্দ্ৰকুমাৰ আগৰৱালা

খ) প্ৰতীক আৰু চিত্ৰকল্প

গ) 'গুৰু মোকে দয়া নাচাৰিবা' ৰ মূলবস্তু

ঘ) 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত'ত আধুনিকতাবাদী কবিতাৰ লক্ষণ

৪। তোমাৰ পাঠ্যাংশত সন্নিবিষ্ট 'হনুমন্তৰ লংকা দৰ্শন'ৰ কথাবস্তুৰ চমু আভাস দাঙি ধৰা। ৭

অথবা

'আত্মাদান' কবিতাটোত কবিৰ জাতীয়তাবাদী মনোভংগী কেনেদৰে প্ৰতিফলিত হৈছে উদাহৰণসহ বুজাই লিখা। ৭

৫। 'অসমীয়া লোকগীত' ৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখা। ৭

অথবা

'সাৰথি' কবিতাটোত কবিয়ে সম্বোধন কৰা 'সখী' গৰাকী কোন? কবিতাটোত ৰহস্যবাদী ভাব কিদৰে প্ৰতিফলিত হৈছে বুজাই লিখা। ২+৫=৭



তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ

৬। তোমাৰ পাঠ্যস্থিত যিকোনো দুটা চৰ্য্যাপদৰ মূলভাব লিখি, চৰ্য্যাপদসমূহৰ মাজেৰে দাৰ্শনিক তত্ত্ব কেনেদৰে প্ৰতিফলিত হৈছে, বুজাই লিখা। ৬+৬=১২

৭। 'দহিকতৰা' কবিতাটিত প্ৰেমৰ উৎসাহ উদ্দীপনাৰ মাজেৰে আহি কবিৰ আবেগ মানৱ মনৰ কোমলতা আৰু পবিত্ৰতা আদি গুণত শেষ হৈছে' কথাযাৰৰ আধাৰত 'দহিকতৰা' কবিতাটিৰ বিশিষ্টতা সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১২

৮। 'আৰে দান্তাল হাতীৰ মাহুত ৰে' গীতটো কি বিষয়ক গীতৰ অন্তৰ্ভুক্ত? গীতটিৰ মাজেৰে নাৰী মনৰ চিৰন্তন অনুভূতিৰ প্ৰকাশ কিদৰে ঘটিছে, উদাহৰণসহ বুজাই লিখা। ২+১০=১২

৯। 'গোটেই আকাশ জুৰি আৰৰি আছিল যেন কাহানিও সেও নমনা এক স্বাধীন পতাকা।' কবিতাটোৰ ৰচক কোন? কোনখন কাব্যগ্ৰন্থৰ পৰা এই কবিতাটো তুলি দিয়া হৈছে? 'স্বাধীন পতাকা' বুলি ইয়াত কিহৰ কথা বুজোৱা হৈছে, খৰচি মাৰি লিখা। ১+১+১০=১২

১০। 'যাদুকৰী শব্দ প্ৰয়োগেৰে ক্ষুদ্ৰ ক্ষুদ্ৰ চিত্ৰকল্প নিৰ্মাণত হীৰেণ ভট্টাচাৰ্য সিদ্ধহস্ত'— কথাযাৰৰ আধাৰত তেওঁৰ 'বাঁহীৰ মাত' কবিতাটিত চিত্ৰকল্পৰ প্ৰয়োগ কিদৰে ঘটিছে উদাহৰণসহ বুজাই লিখা। ১২

.....................